## কোনে কি ফল ভাল পায়

চন্দ্ৰই তাৰ সহপাঠীসকলৰ লগত জিৰণিৰ সময়ত বিদ্যালয়ৰ চৌহদত থকা আঁহত জোপাৰ তলত বহি কোনে কি ফল খাই ভাল পায় কথা পাতি আছিল। তিনিয়ে শ্ৰেণীকোঠাৰ পৰা বহী এখন আৰু পেঞ্চিল এডাল লৈ আনিলে। কোনটো ফল কেইজনে খাই ভাল পায় তাই তাতে এখন তালিকা প্ৰস্তুত কৰিলে। তালিকাখন তলত দকলৰ—



| ফলৰ নাম | ফলটো ভালপোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|
| কল | ☺ ☺ ☺ ☺ ☺ |
| আম | ☺ ☺ ☺ ☺ ☺ ☺ |
| কঁঠাল | ☺ ☺ |
| নাচপাতি | ☺ ☺ ☺ |

☺- দুজন ছাত্ৰ বা ছাত্ৰীক বুজাইছে

**ওপৰৰ তথ্যৰ সহায়ত তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা**

- কল আৰু কঁঠাল মুঠ কিমানজন ছাত্ৰ-ছাত্ৰীয়ে ভাল পায়?
- কঁঠাল ভালপোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাতকৈ নাচপাতি ভালপোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বেছি নে কম?
- কোনটো ফল বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীৰ প্ৰিয়?

মনোজ, বিনদাও, বৰুণ, বিনীতা আৰু কবিতাহঁতৰ প্ৰত্যেকৰে লগত থকা গল্প কিতাপৰ সংখ্যা তলত দিয়া আছে।

| নাম | মনোজ | বিনদাও | বৰুণ | বিনীতা | কবিতা |
|---|---|---|---|---|---|
| কিতাপৰ সংখ্যা | ৪ খন | ৫ খন | ৯ খন | ৬ খন | ৭ খন |

ওপৰৰ তথ্যখিনি চিত্ৰৰ সহায়ত দেখুওৱা

| | |
|---|---|
| মনোজ | □ □ □ □ |
| বিনদাও | |
| বৰুণ | |
| বিনীতা | |
| কবিতা | |

□ এখন কিতাপ বুজাইছে

**ওপৰৰ তথ্যৰ সহায়ত লিখা**

- কাৰ আটাইতকৈ বেছি সংখ্যক কিতাপ আছে? □
- কাৰ আটাইতকৈ কম সংখ্যক কিতাপ আছে? □
- বৰুণৰ সমান হ'বলৈ মনোজে আৰু কেইখন কিতাপ সংগ্ৰহ কৰিব লাগিব? □
- বিনদাও আৰু বিনীতাৰ দুয়োৰে মিলি কিমান কিতাপ আছে? □
- কবিতাতকৈ বৰুণৰ কেইখন কিতাপ বেছি আছে? □




**বিভিন্ন খেল খেলি ভাল পোৱা ছাত্ৰ-ছাত্ৰীৰ তথ্য তলত দিয়া আছে**




| খেলৰ নাম | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|
| ফুটবল | ৫ |
| ক্ৰিকেট | ৮ |
| কাবাডী | ৪ |
| বেডমিণ্টন | ৬ |




**ওপৰৰ তথ্যৰ সহায়ত দণ্ডচিত্ৰ আঁকো আহা**




গৰ পৃষ্ঠাৰ দণ্ডচিত্ৰখন চাই কোৱা আৰু লিখা

- ফুটবল আৰু ক্ৰিকেটৰ ভিতৰত কোনবিধ খেল বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ভাল পায়? ☐
- শ্ৰেণীটোৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান? ☐
- কাবাডী আৰু বেডমিণ্টন খেলি ভাল পোৱা মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান? ☐

নি লওঁ আহা ঃ দণ্ডচিত্ৰ তথ্য প্ৰস্তুত কৰাৰ এক উপায়। দণ্ডচিত্ৰত তথ্যসমূহ দণ্ডৰ দ্বাৰা প্ৰকাশ া হয়।

ও দিৱসৰ দিনা এখন বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰীসকলে মূৰত বিভিন্ন ৰঙৰ ফিতা মাৰিছিল। তাৰ ৰং অনুযায়ী ছোৱালীৰ সংখ্যা তলৰ দণ্ডচিত্ৰত দেখুওৱা হৈছে।





ত্ৰখন চাই ৰং অনুযায়ী ফিতা মৰা ছোৱালীৰ সংখ্যা লিখা

 ১  ________  ________

 ________  ________  ________



আত্মসহায়ক গোটৰ ধনেৰে নিৰ্মলা, নৰ্মদা, কমলা, নমিতাই সকলৈ ফাৰ্ম এখন খুলিলে। ফাৰ্মখ থকা প্ৰাণী আৰু সিহঁতৰ সংখ্যাবোৰ দণ্ডচিত্ৰত চাওঁ আহা










দণ্ডচিত্ৰখন চাই তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা

ফাৰ্মখনত কোনবিধ প্ৰাণী আটাইতকৈ বেছিকৈ আছে?

হাঁহ আৰু কুকুৰা মিলি মুঠতে কেইটা প্ৰাণী আছে?

গৰুতকৈ ছাগলীৰ সংখ্যা .................... টা বেছি?


পাৰতকৈ কুকুৰাৰ সংখ্যা ...................... টা কম?

ফাৰ্মখনত মুঠতে কিমান সংখ্যক প্ৰাণী আছে?......।



**কাৰ হাতত কিমান আম আছে?**

অনুজ, মানস, পাপৰি, মনোৰমা আৰু জিলমিলে বাৰীৰ পৰা আম বুটলিবলৈ গ'ল। অনুজে ২১টা, মানসে ৭টা, পাপৰিয়ে ১৮টা, মনোৰমাই ১১টা আৰু জিলমিলে ১৫টা আম বুটলিলে। এই তথ্যখিনি দণ্ডচিত্ৰত প্ৰকাশ কৰা।



তলৰ তালিকাৰ পৰা উত্তৰ লিখোঁ আহা



- পাঁচজনে মুঠ কিমানটা আম বুটলিলে?
- আটাইতকৈ কম আম কোনে বুটলিলে?
- মনোৰমাই পাপৰিতকৈ কিমানটা কম আম বুটলিলে?
- আটাইতকৈ কোনে বেছি আম বুটলিলে?
- জিলমিলৰ আমৰ সংখ্যা অনুজৰ সমান হ'বলৈ আৰু কেইটা আম বুটলিব লাগিব?

**নিজে কৰা**

বাতৰি কাকতত দিয়া বৰষুণৰ পৰিমাণ তথ্য (এটা সপ্তাহৰ বাবে) সংগ্ৰহ কৰা। সংগ্ৰহ কৰা তথ্যৰ সহায়ত দণ্ডচিত্ৰ এখন প্ৰস্তুত কৰা। কোনদিনা বৰষুণৰ পৰিমাণ আটাইতকৈ বেছি আৰু কোনদিনা বৰষুণৰ পৰিমাণ আটাইতকৈ কম উলিওৱা।

*শিক্ষকলৈ নিৰ্দেশনা : এনেধৰণৰ প্ৰশ্নৰ সহায়ত ছাত্ৰ-ছাত্ৰীক দণ্ডচিত্ৰ প্ৰস্তুত কৰিবলৈ দিব।*